উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বিষয়ঃ অসমীয়া

পাঠঃ আনন্দৰাম বৰুৱা



(১৮৫০-১৮৮৯)

*পাঠটোৰ লেখক পৰিচিতিঃ*

উপেন্দ্ৰ চন্দ্ৰ লেখাৰু অসমীয়া বৈষ্ণৱ সাহিত্যৰ গৱেষক পণ্ডিত। তেখেতে কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগত সুদীৰ্ঘকাল অধ্যাপনা কৰি বিভাগীয় মুৰব্বী হিচাপে

অৱসৰ গ্ৰহণ কৰে।অসমীয়া সাহিত্যৰ অনবদ্য সম্পদ 'কথা-গুৰুচৰিত' গ্ৰন্থখন লেখাৰুদেৱে সম্পাদনা কৰি উলিয়াইছিল। 'অসমীয়া ৰামায়ণ সাহিত্য', 'অসমীয়া সাহিত্যৰ সেৱক ৰজনীকান্ত বৰদলৈ', ' লক্ষ্মীনাথ বেজবৰুৱা' তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। তেওঁৰ অনুবাদমূলক গ্ৰন্থকেইখন হ'ল---'শ্ৰীশ্ৰী ৰামকৃষ্ণৰ উপদেশ' 'ধম্মপদ', 'এনক আৰ্ডেন'। ইয়াৰ উপৰিও 'ভক্তি বিবেক' আৰু 'কথা সাহিত্য' লেখাৰুদেৱৰ উল্লেখযোগ্য সম্পাদিত গ্ৰন্থ। ১৯৭০ চনত ধিঙত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তত্ৰিংশ অধিবেশনত তেওঁ সভাপতিত্ব কৰে।

*প্ৰশ্ন- উত্তৰ শিতানঃ*

১) আনন্দৰাম বৰুৱাৰ ঘৰ ক'ত?

উত্তৰঃ  আনন্দৰাম বৰুৱাৰ ঘৰ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত।

২) আনন্দৰাম বৰুৱাৰ কিমান চনত জন্ম হৈছিল?

উত্তৰঃ আনন্দৰাম বৰুৱাৰ ১৮৫০ চনৰ ২১ মে' তাৰিখে জন্ম হৈছিল।

৩) ভাৰতত শিক্ষা শেষ কৰি আনন্দৰাম বৰুৱা ক'লৈ গৈছিল?

উত্তৰঃ জ্ঞানৰ প্ৰতি থকা একান্ত আগ্ৰহৰ বাবে তেওঁ ভাৰতত শিক্ষা শেষ কৰি সুদূৰ ইউৰোপলৈ গৈছিল।

**৪) আনন্দৰাম বৰুৱাই কোনখন গ্ৰন্থত কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছিল?**

**উত্তৰঃ তেওঁৰ 'মহাবীৰ চৰিত'ৰ সংস্কৃত ব্যাখ্যাত নাট অভিনয়ৰ বিষয়ে লিখোঁতে কামৰূপৰ ভাওনাৰ কথা উল্লেখ কৰিছিল।**

**৫) আনন্দৰাম বৰুৱাৰ কাম আৰু সংকল্প দেখি বিস্ময়াভিভূত হোৱা এজন বিদেশী পণ্ডিতৰ নাম লিখাঁ।**

**উত্তৰঃ তেওঁৰ কাম আৰু সংকল্প দেখি জগৎবিখ্যাত পণ্ডিত মেক্সমূলাৰে বিস্ময় মানিছিল।**

**৬) পাঠটোত থকা "তোমাৰে আনন্দ বৰুৱাই..." কবিতাৰ শাৰী দুটা ক'ৰপৰা তুলি অনা হৈছে?**

**উত্তৰঃ লক্ষ্মীনাথ বেজবৰুৱাৰ 'অসম সংগীত' নামৰ কবিতাৰপৰা তুলি অনা হৈছে।**

**৭) আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ কি আছিল?**

**উত্তৰঃ কৰ্ম আৰু সাধনা আছিল আনন্দৰাম বৰুৱাৰ জীৱনৰ মূলমন্ত্ৰ।**

**৮) আনন্দৰাম বৰুৱাৰ পিতৃ-মাতৃৰ নাম কি?**

**উত্তৰঃ আনন্দৰাম বৰুৱাৰ পিতৃৰ নাম গৰ্গৰাম আৰু মাতৃৰ নাম দুৰ্লভেশ্বৰী।**

*আনন্দৰাম বৰুৱাৰ বিষয়ে কেইটামান জানিবলগীয়া কথাঃ*

১) কলিকতাৰ প্ৰেছিডেন্সী কলেজৰপৰা তেওঁ ১৮৬৯ চনত আইনৰ স্নাতক ডিগ্ৰী লাভ কৰিছিল।

২) ১৮৭২ চনত তেওঁ ইংলেণ্ডত 'ইণ্ডিয়ান চিভিল ছাৰ্ভিচ'ৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈ সফলতা লাভ কৰে। তেওঁ ভাৰতীয় প্ৰশাসনিক সেৱাত নিযুক্ত প্ৰথমগৰাকী অসমীয়া আৰু পঞ্চমগৰাকী ভাৰতীয়।

৩) আনন্দৰাম বৰুৱা এগৰাকী সংস্কৃত পণ্ডিত হিচাপে প্ৰখ্যাত। তেওঁ ইংৰাজী ভাষাত লিখা সংস্কৃত সাহিত্যৰ আলোচনাসমূহ দেশ-বিদেশৰ বিদ্বৎ সমাজৰ মাজত সমাদৃত। লগতে তেওঁ সংস্কৃত ভাষা-সাহিত্য অধ্যয়নৰ সুবিধাৰ হকে অভিধান আৰু ব্যাকৰণো প্ৰণয়ন কৰে।

৪) ১৮৮৯ চনৰ ১৯ জানুৱাৰী তাৰিখে আনন্দৰাম বৰুৱাৰ মৃত্যু হয়।

*প্ৰস্তুতকৰ্তা*

ড০ বিভা ৰাণী দাস

সহকাৰী অধ্যাপক

অসমীয়া বিভাগ

ঢকুৱাখনা মহাবিদ্যালয়।